**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 15**-07-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***::::::::::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ জিলা পৰিভ্ৰমণ কৰে। দিনজোৰা ভ্ৰমণসূচীৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পৰ্যালোচনা বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধবজাবাহী আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ সাধাৰণ ৰাইজৰ সমস্যা সন্দৰ্ভত বিভিন্নজনৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে, স্মাৰক পত্ৰত উল্লেখ কৰা সমস্যা সন্দৰ্ভত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি পুৰা শিৱদৌল পৰিদৰ্শন কৰাৰ পাছত এলানী চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাখনৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে তেওঁ গোসাঁইবাৰী চাহ বাগিচালৈ গৈ চাহ শ্ৰমিকৰ সৈতে মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰে। উল্লেখযোগ্য যে পৰ্যালোচনা বৈঠকত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা সমভূমি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক সুশান্ত বৰগোহাঁই, জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা ফোনযোগে ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে বিৱৰণ দাঙি ধৰে। বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত ৰাজ্যখনক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী শ্বাহে মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও ব্ৰহ্মপুত্ৰ, বুঢ়ী দিহিং আৰু দিচাং নৈৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ৰাজ্যত বানৰ ফলত ৯৩ জন লোকৰ মৃত্যু হৈছে।

ইপিনে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি শিৱসাগৰৰ টেঙাপানীৰ পৰা দিচাংমুখলৈ মথাউৰি পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৯ কোটি টকা ব্যয়ৰে ৰূপায়ণ হৈ থকা মথাউৰিটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংগ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ উন্নয়নমূলক কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে বান পৰিস্থিতিৰো খতিয়ান লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে জিলাখনৰ আহোম পথাৰ গাঁৱত জলজীৱন মিছনৰ অধীনত স্থাপন কৰা পানীযোগান আঁচনি উদ্বোধন কৰে।

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এক্স যোগে জনোৱা অনুসৰি ব্ৰহ্মপুত্ৰ বাঢ়নী পানীয়ে ছিগি নিয়া মাজুলীৰ যুগুনিধাৰী মথাউৰিটোৰ দ অংশ অত্যাধুনিক প্ৰযুক্তিৰে জিঅ' বেগত মাটি ভৰাই সম্পূৰ্ণ কৰা হৈছে।

লগতে মথাউৰিটোৰ ছিগা অংশৰ দুয়োটা মূৰ ১৫ দিনৰ ভিতৰত অত্যাধুনিক প্ৰযুক্তিৰে সংযোগ কৰা হৈছে। জলসম্পদ বিভাগৰ অধীনত ৰাজ্যৰ ছিগা মথাউৰিৰ মেৰামতিৰ কাম পূৰ্ণগতিত চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

মন্ত্ৰী কেশৱ মহন্তই আজি নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ গৰুমৰা, দুই নম্বৰ গৰুমৰা আৰু দুই নম্বৰ ভোমোৰাগুৰিৰ বান পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বানপীড়িত ৰাইজৰ অসুবিধান নহ'বৰ বাবে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীৰ লগতে মিছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰি থকা বানপীড়িত ৰাইজৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। oooooooo

oooooooo

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে চলিত বৰ্ষৰ দ্ৰোণাচাৰ্য বঁটা আৰু শিক্ষক শ্ৰী বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছে। সন্মিলনীয়ে জনোৱা অনুসৰি দ্ৰোণাচাৰ্য বঁটা শোণিতপুৰৰ বালিপাৰা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত সৰু পাটগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নকুল কুৰ্মীলৈ আগবঢ়োৱা হৈছে। আনহাতে শিক্ষক শ্ৰী বঁটা কামৰূপ জিলাৰ বড়িহাট নিবাসী ফুলগুৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নৱীন চন্দ্ৰ দাসলৈ আগবঢ়োৱা হৈছে। অহা ২৫ জুলাইত হ'বলগীয়া অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ হাইলাকান্দি অধিৱেশনৰ মুকলি সভাত এই বঁটা প্ৰদান কৰা হ'ব।

ইফালে, চিৰাং জিলাৰ চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বি টি আৰৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন আৰু কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। অনুষ্ঠানৰ মুকলি সভাত অংশ লৈ কোকৰাঝাৰ সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে বিগত ২০২৩ আৰু ২৪ বৰ্ষত চিৰাং জিলাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হোৱাত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱদানৰ প্ৰশংসা কৰে। তেওঁ লগতে বি টি আৰত সম্প্ৰতি বিৰাজ কৰা শান্তিৰ পৰিৱেশে ইয়াৰ মূল কাৰণ বুলি মন্তব্য কৰে।

oooooooo

ডিব্ৰুগড়ৰ চিৰিংচাপৰিৰ নিবাসী সৰ্বজনশ্ৰদ্ধেয় মহিলা দিব্য বৰদলৈৰ আজি বিয়লি দেহাবসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ।

oooooooo

ঃসমাপ্তঃ